**উৎপাদনৰ ব্যৱহাৰ** (Use of Over Production)ঃ কেতিয়াবা কেতিয়াবা কিছুমান দেশ কিছুমান সামগ্ৰী নিম্নতম ব্যয়ৰ যোগেদি উৎপাদন কৰাৰ সুবিধা লাভ কৰে। এনেবোৰ সামগ্ৰীৰ ৰাহী উৎপাদনখিনি ঘৰুৱা দেশতে ব্যৱহাৰ কৰিব লগা হ'লে চাহিদাৰ তুলনাত যোগান অত্যাধিক হোৱাত উৎপাদন ব্যয়তকৈও কম দামত বিক্ৰী কৰিব লগা হয়। নাইবা অতিৰিক্ত উৎপাদনখিনি নষ্ট হোৱাৰ সম্ভাৱনা থাকে। কিন্তু মুক্ত বা অবাধ বাণিজ্য নীতিৰ আধাৰত এনে সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰাৰ সুযোগ লাভ কৰিলে ৰাহী উৎপাদনে দেশৰ আৰ্থিক উন্নয়নতহে সহায় কৰিব। পুনৰ এনে উদ্যোগে অধিক বিশেষীকৰণৰ সুবিধা লাভ কৰিব।

12. **দেশৰ অৰ্থনৈতিক উন্নয়ন** (Economic Development of the Country)ঃ মুক্ত বাণিজ্যই সকলো প্ৰকাৰৰ আৰ্থিক অৱস্থাৰ অৰ্থনীতিকে উন্নয়নত সহায় কৰে। উদাহৰণস্বৰূপে অনুন্নত অৰ্থনীতিসমূহে (a) শ্ৰম বিভাজনৰ বিশেষীকৰণৰ সুবিধা লাভ কৰে। (b) নিজ দেশৰ উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত এখন বৃহৎ বজাৰৰ সুবিধা লাভ কৰে। (c) প্ৰতিযোগিতামূলক পৰিস্থিতিৰ সন্মুখীন হৈ নিজা উৎপাদন ক্ষমতা বৃদ্ধিৰ প্ৰচেষ্টা হাতত ল'বলৈ সুযোগ পায়। (d) পৰিচালনা দক্ষতা বৃদ্ধিৰ লগতে কাৰিকৰী দক্ষতা অৰ্জন কৰিব পাৰে। (e) কেঁচা সামগ্ৰী, যন্ত্ৰপাতি সংগ্ৰহ, বৈদেশীক মূলধন সংগ্ৰহৰ সুবিধা লাভ কৰে। (f) উন্নত দেশৰ সান্নিধ্যই নিজকে উন্নত কৰাৰ সুবিধা প্ৰদান কৰে।

13. **আন্তৰ্জাতিক সহযোগিতা** (International Co-operation)ঃ মুক্ত বা অবাধ বাণিজ্য নীতিৰ অধীনত এখন দেশে বিশ্বৰ অন্যান্য দেশৰ লগত আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কৰ জৰিয়তে আন্তৰ্জাতিক সহযোগিতা বৃদ্ধি কৰাৰ সুবিধা লাভ কৰে।

### 3.3 মুক্ত বাণিজ্যৰ বিপক্ষে যুক্তি (Arguments against Free Trade Policy)

ঃ ওপৰত উল্লেখ কৰা যুক্তিসমূহৰ দিশৰ পৰা বিচাৰ কৰিলে মুক্ত বা

অবাধ বাণিজ্য নীতি এক "স্বৰ্গীয় দান" যেনেই লাগে। পিচে মুক্ত বা অবাধ বাণিজ্য নীতিৰ কিছুমান অতি গুৰুত্বপূৰ্ণ অসুবিধাও আছে। এটা সময়ত আদাম স্মিথ, ডেভিদ ৰিকাৰ্ডোকে মুখ্য কৰি সংস্থাপিত গোষ্ঠীৰ আহ্বানৰ প্ৰেৰণাত বিশ্বৰ প্ৰায়বোৰ দেশেই মুক্ত বা অবাধ বাণিজ্যক বিশ্বাসত লৈছিল। পিচত এনে গুৰুত্বপূৰ্ণ অসুবিধাসমূহৰ সন্মুখীন হৈ এখন-এখনকৈ বিশ্বৰ প্ৰায়বোৰ দেশেই মুক্ত বা অবাধ বাণিজ্য নীতি পৰিহাৰ কৰিবলৈ লয়। এইসমূহ দেশৰ অভিজ্ঞতাৰ পৰা মুক্ত বাণিজ্যৰ অসুবিধাসমূহ আমি তলত উল্লেখ কৰা ধৰণেৰে পাব পাৰোঁ।

1. **অবাস্তৱ ধাৰণা** (Unrealistic Policy) ঃ মুক্ত অৰ্থনীতি বা অবাধ বাণিজ্য ধাৰণাটো কেইটামান অবাস্তৱ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। এই ধাৰণাটোৱে চৰকাৰী হস্তক্ষেপ ধাৰণাটো বিৰুদ্ধাচৰণ কৰে। পুনৰ পূৰ্ণ প্ৰতিযোগিতা আৰু পূৰ্ণ নিযুক্তি ধাৰণা দুটা মানি লয়। কিন্তু বাস্তৱ জগতত পূৰ্ণ প্ৰতিযোগিতা আৰু পূৰ্ণ নিযুক্তি ধাৰণাবিলাক দেখা পোৱা নেযায়।

2. **দেশৰ লগত সহযোগিতাহীন** (Non-corporation of Countries) ঃ অবাধ বাণিজ্য নীতিয়ে চৰকাৰী হস্তক্ষেপ মানি নহয়। অবাধ বাণিজ্য পৃষ্ঠপোষকতা কৰা অৰ্থনীতিবিদসকলৰ মতে চৰকাৰী হস্তক্ষেপে অৰ্থনীতিত অযথা জটিলতাৰ সৃষ্টি কৰে। কিন্তু কিছুমান দেশে আমদানিৰ ওপৰত বাধা নিষেধ আৰোপ কৰি আমদানিৰ পৰিমাণ কমাবলৈ যত্ন কৰে আৰু ৰপ্তানি বৃদ্ধিৰ জৰিয়তে দেশৰ উপাৰ্জন বৃদ্ধি কৰিব খোজে। অৱশ্যে এনে অৱস্থাত অবাধ বাণিজ্য নীতি বৰ্তি নেথাকে।

3. **আৰ্থিক নিৰ্ভৰশীলতা** (Economic Dependence) ঃ মুক্ত বা অবাধ বাণিজ্য নীতিৰ আধাৰত এখন দেশৰ জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় সকলো সামগ্ৰী দেশৰ ভিতৰতে উৎপাদন কৰা নহয়। যিবোৰ সামগ্ৰীৰ তুলনামূলক ব্যয় নিজ দেশত কম তেনে সামগ্ৰীহে দেশত উৎপাদন কৰা হয়। অন্যহাতে দেশত উৎপাদন কৰিলে যিবোৰ সামগ্ৰীৰ উৎপাদন ব্যয় তুলনামূলকভাৱে বিদেশৰ পৰা আমদানি কৰাতকৈ বেছিহে হয় তেনে সামগ্ৰী বিদেশৰ পৰাহে আমদানি কৰে। গতিকে কেতিয়াবা দৈনন্দিন জীৱন-যাপনৰ বাবে নিত্য প্ৰয়োজনীয় যেনে- খাদ্য বস্তু আদিৰ বাবেও বিদেশৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়। যুদ্ধৰ সময়ত বা কিবা প্ৰকাৰে আন্তৰ্জাতিক বাণিজ্য বন্ধ হৈ গ'লে দেশখন তেনে সময়ত বিপদত পৰিব লগা হয়।

4. **সমানতা (Uniformity) ঃ** যদি পৃথিৱীৰ সকলো দেশে মুক্ত বাণিজ্য নীতি গ্ৰহণ কৰে তেতিয়াহে অবাধ বাণিজ্য নীতিৰ সুফলসমূহ সকলোৱে উপভোগ কৰিবলৈ সক্ষম হয়। কিন্তু কিছুমান দেশে অবাধ বাণিজ্য নীতি আৰু আন কিছুমান দেশে যদি সংৰক্ষিত বাণিজ্য নীতি গ্ৰহণ কৰে তেতিয়া মুক্ত বাণিজ্য নীতিৰ সুফলসমূহ সীমিত হৈ পৰে। এনে অৱস্থাত অবাধ বাণিজ্য নীতি গ্ৰহণ কৰি এখন দেশ বৈদেশিক বাণিজ্য নীতিৰ যোগেদি লাভৱান হ'ব নোৱাৰে।

5. **অনিষ্টকাৰী সামগ্ৰীৰ উৎপাদন (Production of Harmful Products) ঃ** অবাধ বাণিজ্য নীতি চলি থকা অৱস্থাত কোনো কোনো দেশে এনে সামগ্ৰী উৎপাদন আৰু ৰপ্তানি কৰিব পাৰে যিবোৰ জনসাধাৰণৰ বাবে অনিষ্টকাৰী। প্ৰকৃততে এনেবোৰ সামগ্ৰী ব্যৱহাৰে দেশৰ জনসাধাৰণৰ জনকল্যাণ হ্ৰাস কৰিব পাৰে। গতিকে এনে সামগ্ৰীৰ উৎপাদনত বা বজাৰত বিক্ৰী কাৰ্য্যত চৰকাৰী নিয়ন্ত্ৰণৰ প্ৰয়োজন। অবাধ বাণিজ্য নীতিৰ আধাৰত এনে সামগ্ৰী উৎপাদন আৰু আমদানি-ৰপ্তানি কাৰ্য্যত কোনো বাধা-নিষেধ আৰোপ কৰা নহয়।

6. **আন্তৰ্জাতিক পৰ্য্যায়ৰ একচেটিয়া অধিকাৰ (International Monopolies) ঃ** অবাধ বাণিজ্য নীতিৰ আধাৰত আন্তৰ্জাতিক বাণিজ্য ব্যৱস্থা গঢ়ি উঠিলে কিছুমান বিশেষ সামগ্ৰী উৎপাদনত কিছুমান বিশেষ দেশে আন্তৰ্জাতিক পৰ্য্যায়ত একচেটিয়া অধিকাৰ লাভ কৰিব পাৰে। অবাধ বাণিজ্যই সামগ্ৰী উৎপাদনত কিছুমান বহুজাতিক কোম্পানীৰ জন্ম দিয়ে। এনে বহুজাতিক সংস্থাসমূহৰ মূল লক্ষ্য হ'ল বিশ্বব্যাপী তেওঁলোকৰ উৎপাদনীয় দ্ৰব্যৰ বজাৰ সম্প্ৰসাৰণৰ জৰিয়তে লাভ সৰ্বাধিক কৰা আৰু একচেটিয়া অধিকাৰ সাব্যস্ত কৰা। এনে বহুজাতিক কোম্পানীয়ে দেশসমূহৰ জনসাধাৰণৰ কল্যাণৰ দিশটোক আওঁকান কৰে।

7. **উন্নত দেশসমূহৰ বাবে লাভজনক (Useful to Developed Economy) ঃ** প্ৰায় সকলো সমালোচক অৰ্থনীতিবিদে মানি লয় যে অবাধ বাণিজ্য নীতি উন্নত দেশসমূহৰ বাবেহে লাভজনক। কাৰণ অবাধ বাণিজ্য নীতিয়ে উন্নত দেশত অনুকূল প্ৰভাৱ পেলায়। কাৰণ উন্নত দেশবোৰে ঘাইকৈ উদ্যোগজাত সামগ্ৰী উৎপাদন কৰে। এনে দ্ৰব্যৰ চাহিদাৰ দৰ স্থিতিস্থাপকতা স্থিতিস্থাপক হয়। দামৰ অতি কম নিম্নগামী অৱস্থাই আন্তৰ্জাতিক বাণিজ্যৰ বাণিজ্য হাৰৰ ওপৰত অনুকূল প্ৰভাৱ পেলাই উন্নত দেশৰ বৈদেশিক মুদ্ৰা

উপাৰ্জন অথবা অনুন্নত অৰ্থনীতিৰ পৰা অধিক দ্ৰব্য আহৰণৰ সুবিধা লাভ কৰে। অৰ্থাৎ উন্নত দেশৰ উপাৰ্জন বৃদ্ধি পায়।

8. **অনুন্নত অৰ্থনীতিৰ বাবে বিপদজনক** (Harmful to Less Developed Countries) ঃ অনুন্নত দেশসমূহ স্বাভাৱিকতে শ্ৰম প্ৰাচুৰ্য্যপূৰ্ণ। গতিকে এনে দেশে শ্ৰম বেছিকৈ ব্যৱহাৰ কৰি উৎপাদন কৰিব পৰা প্ৰাথমিক সামগ্ৰীসমূহে উৎপাদন কৰে। কথা হ'ল প্ৰাথমিক সামগ্ৰীৰ দৰ আন্তৰ্জাতিক বজাৰত অস্থিতিস্থাপক হয়। পুনৰ অনুন্নত অৰ্থনীতিৰ উপভোক্তাসকলে আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি উন্নত দেশৰ পৰা অধিক পৰিমাণে বিলাসী সামগ্ৰী আমদানি কৰাত দেশৰ বাণিজ্যিক হাৰ প্ৰতিকূল হৈ পৰে। ফলত বাণিজ্যিক পৰিশোধৰ বাবে এনে দেশে পুনৰ প্ৰাথমিক সামগ্ৰী উৎপাদনত অধিক বিশেষীকৰণৰ সহায় ল'ব লগা হোৱাত উন্নত দেশসমূহৰ লগত লেন-দেনৰ পৰিশোধৰ জটিলতাই দেখা দিয়ে। গতিকে দেখা যায় যে অবাধ বাণিজ্যৰ আধাৰত আন্তৰ্জাতিক বাণিজ্যত অংশ লোৱা অনুন্নত অৰ্থনীতিৰ অৰ্থনৈতিক অৱস্থা দিনক দিনে পুতৌ লগা হৈ আছে।

9. **ৰাজনৈতিক দাসত্ব** (Political Slavery) ঃ অবাধ বাণিজ্য নীতিৰ অধীনত দুখন দেশৰ মাজত যেতিয়া আন্তৰ্জাতিক বাণিজ্য নীতি গঢ়ি তোলা হয় তেতিয়া প্ৰতিখন দেশেই নিজ দেশত কম খৰচত উৎপাদন কৰিব পৰা দ্ৰব্য-সামগ্ৰীসমূহহে উৎপাদন কৰে আৰু যিসমূহ সামগ্ৰী নিজ দেশত উৎপাদন কৰাতকৈ বিদেশৰ পৰা আমদানি কৰিলেহে কম খৰচতে পোৱা যায় তেনে সামগ্ৰী বিদেশৰ পৰাই আমদানি কৰে। ফলত এখন দেশে দেশখনৰ নিত্য প্ৰয়োজনীয় সকলো সামগ্ৰী উৎপাদন কৰিব নোৱাৰাত বিদেশৰ ওপৰত নিৰ্ভৰশীল হ'ব লগাত পৰে। এচাম অৰ্থনীতিবিদে মত পোষণ কৰে যে এনে আৰ্থিক নিৰ্ভৰশীলতাই ৰাজনৈতিক দাসত্বৰ সৃষ্টি কৰে। নিজে উৎপাদন কৰিব নোৱাৰাৰ বাবেই এনে সামগ্ৰীৰ চাহিদা পূৰণ কৰিববৈলে আন দেশৰ হাতলৈ মুখলৈ চাব লগা এটা পৰিস্থিতিৰ জন্ম দিয়ে।

10. **বজাৰ বিস্তাৰ** (Expansion of Market) ঃ অবাধ বাণিজ্য নীতিৰ ফলত উন্নত দেশবিলাকে কেতিয়াবা-কেতিয়াবা কোনো-কোনো দ্ৰব্য উৎপাদন ব্যয়তকৈও কম দামত বিক্ৰী কৰি বজাৰ গ্ৰাস কৰিববৈলে যত্ন কৰে। এনে ব্যৱস্থাকে ডামপিং (Dumping) বোলে। প্ৰকৃততে এনে ব্যৱস্থা আমদানি কৰা আৰু ৰপ্তানি